# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2024
**Time :** 19-10 Hrs.

# *Assamese Evening Bulletin*

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুম্বাইৰ শিৱাজী পাৰ্কত কালি শক্তিক আঁতৰাবলৈ কংগ্ৰেছে জনোৱা আহ্বানক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে।

২। নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ পূৰ্বে আজি ৬ খন ৰাজ্যৰ গৃহ সচিব আৰু পশ্চিমবংগৰ আৰক্ষী সঞ্চালক প্ৰধানক পদৰ পৰা অপসাৰণ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ে ভাৰতীয় ষ্টেট বেংকক বৃহস্পতিবাৰৰ ভিতৰত নিৰ্বাচনী বণ্ড সম্পৰ্কীয় সকলো তথ্য প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে।

৪। মালয়ালম ভাষাৰ বিশিষ্ট কবি প্ৰভা বৰ্মাক ২০২৩ বৰ্ষৰ সৰস্বতী সন্মানৰ বাবে বাচনি কৰা হৈছে। *আৰু*

৫। হকী ইণ্ডিয়াই আসন্ন অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ২৭ জনীয়া ভাৰতীয় পুৰুষ হকী দলৰ নাম ঘোষণা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুম্বাইৰ শিৱাজী পাৰ্কত কালি শক্তিক আঁতৰাবলৈ কংগ্ৰেছে জনোৱা আহ্বানক তীব্ৰ ভাষাৰে সমালোচনা কৰিছে। কংগ্ৰেছৰ এগৰাকী নেতাই দিয়া মন্তব্যক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এয়া হৈছে মা ভাৰতী, নাৰী শক্তি, কৰ্ণাটক মাতা আৰু শিৱাজী মহাৰাজৰ প্ৰতি তীব্ৰ অপমান যিসকলে মা ভৱানীক পূজা অৰ্চনা কৰিছিল। হিন্দু ধৰ্মত শক্তিৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি তেওঁ কয় যে এই কাৰণেই চন্দ্ৰযান ৰোভাৰে স্পৰ্শ কৰা স্থানডোখৰক শিৱশক্তি বিন্দু হিচাপে নামকৰণ কৰা হৈছে। কংগ্ৰেছক আক্ৰমণ কৰি তেওঁ এইবুলি অভিযোগ কৰে যে বৃটিছে তেওঁলোকৰ বিভাজন আৰু শাসনৰ নীতি কংগ্ৰেছক হস্তান্তৰ কৰি থৈ গৈছে।

তেওঁ লগতে দক্ষিণ ভাৰতত কংগ্ৰেছৰ সাংসদ ডি কে সুৰেশে পৃথক ভাৰতবৰ্ষ গঠনৰ সপক্ষে দিয়া উদ্ধৃতিৰ বিষয়ে উল্লেখ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লগতে কংগ্ৰেছে দূৰ্নীতি, লুণ্ঠন আৰু স্বজন তোষণৰ ৰাজনীতিক সমৰ্থন কৰে বুলি অভিযোগ তুলি কয় যে ইয়াৰ বিপৰীতে বিজেপিৰ অৰ্থ হৈছে উন্নয়ন আৰু শক্তিশালী ভাৰত। তেওঁ কয় যে, আয়ুষ্মান ভাৰত বিনামূলীয়া চিকিৎসা সেৱাৰ পৰা কৰ্ণাটকৰ ৭৫ লাখ লোক লাভান্বিত হোৱাৰ লগতে ৪০ লাখ দৰিদ্ৰ মহিলাক এল পি জি গেছৰ সংযোগ আৰু ৯ লাখ লোকক থকা ঘৰৰ সুবিধা প্ৰদান কৰা হৈছে। অনাগত ৫ বছৰৰ কাৰ্যকালত সকলো যোগ্য ব্যক্তিক কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিৰ অধীনত সামৰি লোৱা হব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে তেওঁৰ শাসনৰ ১০ বছৰৰ পাছত দেশে আজি গ্ৰীন কৰিড'ৰ এক্সপ্ৰেছৰে, বন্দে ভাৰত আৰু নমো ভাৰত ৰেলগাড়ী, দ্ৰুত গতিৰ ইণ্টাৰনেট সেৱা, ইউ পি আই আৰু মেট্ৰ' সেৱাৰ বাবে বিশেষ পৰিচয় লাভ কৰিছে।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দাক্ষিণাত্যত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা-এন ডি এৰ সপক্ষে উৎসাহ পৰিলক্ষিত হৈছে। তেলেংগানাৰ জগতীয়ালত আজি এখন নিৰ্বাচনী সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, বিজেপি তেলেংগানাৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ বদ্ধপৰিকৰ। তেওঁ কয় যে, জগতীয়ালৰ নিৰ্বাচনী সভাত সমবেত জনসাধাৰণৰ সংখ্যাৰ পৰা

বতাহৰ গতিত কোন পিনে ধাৱমান সেয়া সহজে অনুমেয়। শক্তি সন্দৰ্ভত কৰা অশালীন মন্তব্যৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, চন্দ্ৰযান-৩ৰ লেণ্ডাৰ বিক্ৰমে চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা ঠাইখিনিক শিৱশক্তি পইণ্ট হিচাপে নামকৰণ কৰা হৈছে। ইন্দি মিত্ৰজোটে তেলেংগানাৰ জনাধাৰণক অপমান কৰা বুলিও শ্ৰীমোদীয়ে অভিযোগ তোলে। তেওঁ লগতে কংগ্ৰেছ আৰু ভাৰত ৰাষ্ট্ৰ সমিতি বি আৰ এছৰ দৰে লেখিয়া পৰিয়াল কেন্দ্ৰীক দল টু জি কেলেংকাৰী, নেচনেল হেৰাল্ড কেলেংকাৰী, বফোৰ্চ কেলেংকাৰী আৰু পশুখাদ্য কেলেংকাৰীৰ দৰে দূৰ্নীতিত লিপ্ত বুলি অভিযোগ তোলে। শ্ৰীমোদীয়ে তেলেংগানাৰ জনসাধাৰণৰ এইবুলি আশ্বাস দিয়ে যে তেওঁলোকক প্ৰবঞ্চনা কৰাসকলক সাৰি যাবলৈ দিয়া নহ'ব।

oooo

বিহাৰত এন ডি এ মিত্ৰজোটৰ সহযোগী দলসমূহে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে আসনৰ ভাগ বাটোৱাৰাৰ চুক্তিক চূড়ান্ত কৰিছে। মিত্ৰজোটৰ অধীনত বিজেপিয়ে ৰাজ্যখনৰ মুঠ ৪০ খন আসনৰ ভিতৰত ১৭ খনত, জে ডি ইউ ১৬ খনত আৰু লোক জনশক্তি ৰামবিলাস দলে ৫ খন আসনত প্ৰতিদ্বন্দিতা আগবঢ়াব। প্ৰাক্তন মুখ্যমন্ত্ৰী জীতন ৰাম মাঝি নেতৃত্বাধীন হিন্দুস্তানী আৱামী মৰ্চা আৰু উপেন্দ্ৰ কুশ্বাহাৰ ৰাষ্ট্ৰীয় লোক মৰ্চাই একোখনকৈ আসনত প্ৰতিদ্বন্দিতা কৰিব। নতুন দিল্লীত আজি বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ তাওড়ে আজি এই সন্দৰ্ভত ঘোষণা কৰে। ঘোষণাৰ সময়ত বিহাৰ বিজেপিৰ সভাপতি সম্ৰাট চৌধৰী, জে ডি ইউৰ নেতা সঞ্জয় ঝা, ৰাষ্ট্ৰীয় লোক জনশক্তি ৰামবিলাসৰ ৰাজু তিৱাৰী আৰু অন্যান্যসকল উপস্থিত থাকে।

oooo

উত্তৰ প্ৰদেশৰ বি এছ পি সাংসদ সংগীতা আজাদ আৰু তেওঁৰ স্বামী আজি নতুন দিল্লীৰ মুখ্য কাৰ্যালয়ত বিজেপিত যোগদান কৰে। প্ৰাক্তন বিধায়ক আজাদ অৰিমৰ্দন আৰু সৰ্বোচ্চ ন্যায়ালয়ৰ অধিবক্তা সীমা কুশ্বাহাইও বিজেপিত যোগদান কৰে। তেওঁলোকে দলৰ সাধাৰণ সম্পাদক বিনোদ তাওড়েৰ উপস্থিতিত দলত যোগদান কৰে।

oooo

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ পূৰ্বে আজি ৬ খন ৰাজ্যৰ গৃহ সচিব আৰু পশ্চিমবংগৰ আৰক্ষী সঞ্চালক প্ৰধানক পদৰ পৰা অপসাৰণ কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে, গুজৰাট, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ গৃহসচিবসকলক পদৰ পৰা অপসাৰণ কৰা হৈছে। মিজোৰাম আৰু হিমাচল প্ৰদেশৰ সাধাৰণ প্ৰশাসন বিভাগৰ সচিবদ্বয়কো বদলি কৰা হৈছে। একেদৰে নিৰ্বাচন আয়োগে বৃহনমুম্বাই মহানগৰ পালিকাৰ আয়ুক্ত ইকবাল সিং চহল আৰু অতিৰিক্ত আয়ুক্ত তথা উপ আয়ুক্তসকলক পদৰ পৰা আঁতৰোৱাৰ নিৰ্দেশ দিছে।

ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া বিবেক ছাহায়ক পশ্চিমবংগৰ পৰৱৰ্তী আৰক্ষী সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে।

oooo

উচ্চতম ন্যায়ালয়ে আজি ভাৰতীয় ষ্টেট বেংকক বৃহস্পতিবাৰৰ ভিতৰত নিৰ্বাচনী বণ্ড সম্পৰ্কীয় সকলো তথ্য প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে ২১ মাৰ্চ পৰ্যন্ত ক্ৰেতা আৰু প্ৰাপক ৰাজনৈতিক দলৰ মাজৰ সম্পৰ্ক প্ৰতিফলিত কৰাৰ ইউনিক বণ্ড নাম্বাৰৰ তথ্যও সদৰি কৰিবলৈ কৈছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন ৫ জনীয়া সাংবিধানিক বিচাৰপীঠে ভাৰতীয় ষ্টেট বেংকৰ অধ্যক্ষক ২১ মাৰ্চৰ বিয়লি ৫ বজাৰ ভিতৰত এখন শপতনামা দাখিল কৰিবলৈ কৈছে। এই শপতনামাত বেংকে সকলো তথ্য সদৰি কৰা বুলি উল্লেখ থাকিব লাগিব।

oooo

মালয়ালম ভাষাৰ বিশিষ্ট কবি প্ৰভা বৰ্মাক ২০২৩ বৰ্ষৰ সৰস্বতী সন্মানৰ বাবে বাচনি কৰা হৈছে। তেওঁক মালয়ালম ভাষাৰ কাব্যগ্ৰন্থ ৰুদ্ৰ সাত্বিকম আৰু ২০১৩ৰ পৰা ২০২২ চনলৈ সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে এই সন্মানৰ বাবে বাচনি কৰা হৈছে। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, মা সৰস্বতীৰ প্ৰতীক চিহ্ন আৰু ১৫ লাখ টকা।

oooo

উচ্চতম ন্যায়ালয়ে আজি ক'লাধন বৈধকৰণ গোচৰত দিল্লীৰ প্ৰাক্তন মন্ত্ৰী সত্যেন্দ্ৰ জৈন আৰু আন দুগৰাকী অভিযুক্ত অংকুশ আৰু বৈভৱ জৈনৰ জামিন আবেদন অগ্ৰাহ্য কৰে আৰু অভিযুক্তকেইজনক

ততালিকে আত্মসমৰ্পন কৰাৰ নিৰ্দেশ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে অভিযুক্তৰ অধিবক্তাই আত্মসমৰ্পনৰ বাবে এসপ্তাহৰ সময় বিচাৰি জনোৱা অনুৰোধ অগ্ৰাহ্য কৰে। সতেন্দ্ৰ জৈনক যোৱা বছৰ ২৬ মে'ত চিকিৎসাজনিত কাৰণত অন্তৰ্বৰ্তী জামিন দিয়া হৈছিল। পাছত অন্তৰ্বৰ্তী জামিনৰ ম্যাদ কেইবাবাৰো বৃদ্ধি কৰা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে মুছলিম কনফাৰেন্স জম্মু-কাশ্মীৰ (ভাট ফৈদ) আৰু মুছলিম কনফাৰেন্স জম্মু-কাশ্মীৰ (চুমজী ফৈদ)ক বেআইনী সংগঠন হিচাপে ঘোষণা কৰাৰ পৰ্যাপ্ত কাৰণ আছে নে নাই, সেই বিষয়টো নিৰ্ণয় কৰিবলৈ এখন বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ ন্যায়াধীকৰণ গঠন কৰি দিয়ে। দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নীনা বাঞ্চাল কৃষ্ণাৰ অধ্যক্ষতাত এই ন্যায়াধীকৰণ গঠন কৰা হৈছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে যোৱা মাহত বেআইনী কাৰ্যকলাপ প্ৰতিৰোধী আইনৰ অধীনত দুয়োটা সংগঠনকে ৫ বছৰৰ বাবে নিষিদ্ধ ঘোষণা কৰিছিল। মন্ত্ৰালয়ে কৈছে যে, সংগঠন দুটা বিভিন্ন বেআইনী কাৰ্যকলাপত জড়িত থকাৰ লগতে জম্মু কাশ্মীৰক ভাৰতৰ পৰা পৃথক কৰাৰ উদ্দেশ্যে বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যকলাপক সমৰ্থন কৰিছিল।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০০

হকী ইণ্ডিয়াই আসন্ন অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ২৭ জনীয়া ভাৰতীয় পুৰুষ হকী দলৰ নাম ঘোষণা কৰিছে। হৰমনপ্ৰীত সিঙ দলৰ অধিনায়ক আৰু হৰদীপ সিং দলৰ উপ অধিনায়ক হ'ব। এই ৫ খনীয়া শৃংখলাৰ আটাইকেইখন খেল পাৰ্থত অনুষ্ঠিত হ'ব। শৃংখলাৰ প্ৰথমখন খেল ৬ এপ্ৰিলত খেলোৱা হ'ব। ৭ এপ্ৰিলত দ্বিতীয়, ১০ এপ্ৰিলত তৃতীয়, ১২ এপ্ৰিলত চতুৰ্থ আৰু ১৭ এপ্ৰিলত পঞ্চম তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত